# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 30-05-2025

**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। প্ৰবল বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন অঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত। ১১ খন জিলাত ৰেড এলাৰ্ট জাৰি।

২। গুৱাহাটী মহানগৰীত নগৰীয়া বানৰ জটিলৰূপ। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰলৈ চলাচল কৰা কেইবাখনো বিমানৰ যাত্ৰাত বিলম্ব।

৩। চাহ শ্ৰমিকক পাঁচ হাজাৰ টকাকৈ বিশেষ সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৪। নতুন দিল্লীত বড়ো জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন কৰা ১৬৫ গৰাকী শিল্পীক বিটিচি প্ৰশাসনৰ সম্বৰ্ধনা।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চণ্ডিগড়ত হ'বলগীয়া এলিমিনেটৰত গুজৰাট টাইটানছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

ooooo

বংগোপসাগৰত সৃষ্টি হোৱা গভীৰ নিম্নচাপৰ প্ৰভাৱত সমগ্ৰ পূব আৰু উত্তৰ-পূব ভাৰতত কালিৰে পৰা হোৱা প্ৰবল বৰষুণৰ ফলত অসমৰো বিভিন্ন ঠাইৰ জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। শিলচৰ আৰু হাটশিঙিমাৰিকে ধৰি দক্ষিণ অসম, মধ্য আৰু পশ্চিম অসমৰ বিভিন্ন জিলাত যোৱা ২৪ ঘণ্টাত ৭ চেণ্টিমিটাৰৰ পৰা ৮ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ ৰেকৰ্ড কৰা হৈছে।

আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীত নগৰীয়া বানে আজি জটিল ৰূপ ধাৰণ কৰে। ৰুক্মিণীগাঁৱৰ জি-এছ ৰোডৰ বিস্তৃৰ্ণ অঞ্চল এবুকু পৰ্যন্ত জলমগ্ন হৈ পৰাত সেই পথেৰে আজি যানবাহনৰ চলাচল বন্ধ হৈ পৰে। চিৰিয়াখানা পথৰ শ্ৰদ্ধাঞ্জলি উৰন সেতুৰ দুয়োফালৰ আৰম্ভণিৰ অংশৰ লগতে উৰণ সেতুৰ তল অংশ সম্পূৰ্ণ প্লাবিত হৈছে। এই পথেৰেও যান-বাহনৰ চলাচল বন্ধ হৈ পৰাত উৰণ সেতুৰ ওপৰত প্ৰচণ্ড যান-জঁটৰ সৃষ্টি হৈছে। মহানগৰীৰ বেলতলাৰ ৰায়াৰলেছ, হাতীগাঁও, জু-নাৰেংগী পথ, অনিল নগৰ, নবীন নগৰ, গোপীনাথ বৰদলৈ পথৰ অনুৰাধা চিনেমাৰ সন্মুখভাগ, চানমাৰি ক'ল'নি, আমবাৰী, গুৱাহাটীক্লাব, বৰাগাঁও আদিকে ধৰি মহানগৰীৰ বিভিন্ন ঠাই নগৰীয়া বানৰ কবলত পৰি জনজীৱন সম্পূৰ্ণ বিপৰ্যস্ত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে ৰুক্মিণীগাঁও, অনিল নগৰ, নবীন নগৰকে ধৰি ভালেমান অঞ্চলত জনসাধাৰণৰ যাতায়াতৰ বাবে ৰবৰৰ নাৱৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। নেৰানেপেৰা বৰষুণৰ ফলত খাৰঘুলিৰ চিত্ৰাচল পথত ভূমিস্খলন হয়। পাহাৰৰ ওপৰৰ পৰা খহি পৰা মাটিয়ে এটা ঘৰৰ আধা অংশ পুতি

পেলায়। মহানগৰীৰ জ্যোতিনগৰৰ আকাশীপথত থকা এটা বিদ্যুতৰ খুঁটা উভালি পৰে। গুৱাহাটীৰ বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰা–

*(বাইট ঃ হেমন্ত কুমাৰ বৰা)*

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১৪ এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে তিনি-চাৰিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। এই বৰষুণ সম্পৰ্কত বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ বিজ্ঞানী ড০ গায়ত্ৰী কলিতাই আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা কথা-বতৰাত এনেদৰে কয়–

*(বাইট ঃ ড০ গায়ত্ৰী কলিতা)*

প্ৰবল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে।

আমাৰ হাইলাকান্দি, শ্ৰীভূমি, ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বৰপেটা, বঙাইগাঁও, পশ্চিম কাৰ্বি আংলং, নগাঁও আৰু হোজাইৰ সংবাদদাতাসকলে জনোৱা মতে ধাৰাসাৰ বৰষুণৰ ফলত জিলাকেইখনৰ স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হোৱাৰ লগতে ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ প্ৰধান উপ-নৈ সমূহৰ পানী ফেনে-ফোটোকাৰে বাঢ়িবলৈ লোৱাত নৈপৰীয়া জনসাধাৰণ শংকিত হৈ পৰিছে। কাছাৰ জিলাৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা প্ৰবল বৰষুণৰ ফলত শিলচৰনগৰৰ কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়। এই সম্পৰ্কত আমাৰ শিলচৰৰ সংবাদদাতা আঁখিৰাণী দাসে এই প্ৰতিবেদন পঠিয়াইছে।

*(বাইট ঃ আঁখিৰাণী দাস)*

০০০০০০০

জটিল বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীৰ সকলো শিক্ষানুষ্ঠান কাইলৈ বন্ধ থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। দিছপুৰত আজি অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কামৰূপ মহানগৰ আৰু কামৰূপৰ চৰকাৰী কৰ্মচাৰীসকলৰ কাইলৈৰ বাবে বিশেষ ছুটী দিয়া হৈছে। সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সকলো জিলা আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আলোচনা কৰে বুলিও সংবাদমেলত প্ৰকাশ কৰে। ভূমিস্খলনৰ আশংকাৰ প্ৰতি লক্ষ্য ৰাখি কাছাৰ, ডিমাহাচাও, হাইলাকান্দি, কামৰূপ মহানগৰ, কামৰূপ, কাৰ্বি আংলং আৰু শ্ৰীভূমিত বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

বংগোপ সাগৰত সৃষ্টি হোৱা গভীৰ নিম্নচাপৰ প্ৰভাৱত হোৱা বৰষুণ আৰু বতাহৰ ফলত আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰলৈ চলাচল কৰা কেইবাখনো বিমানৰ যাত্ৰাত বিলম্ব ঘটে।

কেইবাখনো বিমান গুৱাহাটীৰ পৰিৱৰ্তে আন বিমানবন্দৰলৈ পঠিয়াবলগীয়া হয়। আজি দিল্লী, চেন্নাই আৰু লক্ষ্ণৌৰ পৰা গুৱাহাটীলৈ অহা ৫ খন বিমান কলকাতাৰ নেতাজী সুভাষ আন্তৰ্জাতিক বিমান বন্দৰলৈ ঘূৰাই পঠিওৱা হয়। আহমদাবাদ আৰু মুম্বাইৰ পৰা গুৱাহাটীলৈ অহা এখন বিমান আগৰতলালৈ ঘূৰাই পঠিয়াবলগীয়া হয়। আজি গুৱাহাটীৰ পৰা উৰা মৰা আৰু গুৱাহাটীত অৱতৰণ কৰিবলগীয়া প্ৰায়বোৰ বিমানৰে যাত্ৰা অস্বাভাৱিকভাৱে বিলম্বিত হয়।

ooooo

ৰাজ্য চৰকাৰে চাহ শ্ৰমিকসকলক পাঁচ হাজাৰ টকাকৈ বিশেষ সাহায্য প্ৰদানৰ বাবে প্ৰ-পত্ৰ বিতৰণ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ঘোষণা কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী গৰাকীয়ে সাংসদ, বিধায়ক আৰু জিলা আয়ুক্তসকলৰ সৈতে দিছপুৰত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত আঁচনিখনৰ প্ৰস্তুতি পৰ্যালোচনা কৰি ইয়াৰ সফল ৰূপায়ণৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে নিৰ্দেশ দিয়ে।

ooooo

কোকৰাঝাৰৰ চানমাৰিত থকা বডোফা সাংস্কৃতিক প্ৰকল্পত আজি ১৬৫ গৰাকী বড়ো লোক শিল্পীক সম্বৰ্ধনা জনোৱা হয়। নতুন দিল্লীত বাগৰুম্বা আৰু আন বড়ো জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰা শিল্পীসকলক জনোৱা সম্বৰ্ধনা অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকে। দুলাৰাই বড়ো হাৰিমু আফাড, বড়ো অনাতাঁৰ আৰু দূৰদৰ্শন শিল্পী সংস্থাৰ উদ্যোগত তথা বি টি আৰ চৰকাৰৰ সহযোগত আয়োজিত এই সম্বৰ্ধনা অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বি টি চি প্ৰধান প্ৰমোদ বড়ো, ৰাজ্যসভাৰ সাংসদ ৰনগৌড়া নাৰ্জাৰী, লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰীসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী শ্ৰী দাসে আজি বি টি চি সচিবালয়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু পৰ্যটন বিভাগৰ পৰ্যালোচনা সভাতো অংশগ্ৰহণ কৰে।

ooooo

প্ৰচাৰ ভাৰতীয়ে আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰিৰ বিশাল ভাণ্ডাৰ **শব্দ** নামৰ এটা প'ৰ্টেলৰ যোগেদি আগ্ৰহীসকলক বিনামূলীয়াকৈ যোগান ধৰাৰ ব্যৱস্থা কৰিছে। এই সম্পৰ্কত আমাৰ এক প্ৰতিবেদন।

**(বাইট)**

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে এল জমিৰক নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ আইন আৰু ন্যায় মন্ত্ৰ্যালয়ৰ নিৰ্দেশ মৰ্মে জ্যেষ্ঠ ন্যায়াধীশ জমিৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণইক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। সেয়ে এল জমিৰক ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশৰ দায়িত্ব অৰ্পণ কৰা হয়।

ooooo

ৰাজভৱনত আজি গোৱাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ অংশ হিচাপে আৰু বৈচিত্ৰৰ মাজত একতাৰ শক্তি প্ৰতিফলিত কৰাৰ উদ্দেশ্যে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিষ্ঠা দিৱস ৰাজভৱনত পালন কৰি অহা হৈছে। এই অনুষ্ঠানত অসম আৰু গোৱাৰ মাজত থকা

চহকী সাংস্কৃতিক ঐতিহ্য আৰু সম্পৰ্কত আলোকপাত কৰি একতা আৰু সাংস্কৃতিক বিবিধতা উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত আয়ুক্ত তথা ৰাজ্যপালৰ সচিব এছ্ এছ্ মিনাক্ষী সুন্দৰমে তেওঁৰ ভাষণত ৰাষ্ট্ৰীয় একতা শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক সদ্‌ভাৱ প্ৰদৰ্শনৰ বাবে বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰি অহাৰ কথা প্ৰকাশ কৰে। তেওঁ অসম আৰু গোৱাৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু সমলসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত পামহীস্থিত ছেণ্ট জেভিয়াৰ বিদ্যালয়ৰ অধ্যক্ষ ফ্ৰান্সিছ্ মিলদন দিচুজা উপস্থিত থাকি গোৱাৰ চহকী সংস্কৃতিৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত অধ্যাপক বিচন লালৰ লগতে ৰাজভৱনৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ’ এপৰ লগতে ফে’চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

০০০০০

বজালী জিলাৰ মাজেৰে পাৰ হৈ যোৱা ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি নিশা সংঘটিত এটা দুৰ্ঘটনাত এগৰাকী যুৱক থিতাতে নিহত হয়। ঘাইপথেৰে চলাচল কৰা কোনো অচিনাক্ত বাহনৰ খুন্দাত বাইক আৰোহী যুৱকজন নিহত হোৱা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। মৃত যুৱকজন পাঠশালাৰ সমীপৱৰ্তী ৰহাধৰ বীৰকলাৰ ৰাজীৱ দাস বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে আজি দিনৰ ভাগত যুৱকজনৰ মৃতদেহটো মৰনোত্তৰ পৰীক্ষাৰ বাবে বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চণ্ডীগড়ত হ’বলগীয়া এলিমিনেটৰত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পহিলা জুনত হ’ব লগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঞ্জাব কিংছৰ সন্মুখীন হ’ব। দ্বিতীয়খন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৱে ৩ জুনত হ’বলগীয়া ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ